# ফ্ৰান্স গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

মে 20, 2023

জি-7 সন্মিলনৰ আঁৰত 20 মে 2023 তাৰিখে হিৰোছিমাত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্স গণৰাজ্যৰ ৰাষ্ট্ৰপতি মাননীয় ইমানুৱেল মেক্ৰনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

2. প্ৰধানমন্ত্ৰীয়ে 14 জুলাই 2023 তাৰিখে বেষ্টিল দিৱসৰ বাবে সন্মানীয় অতিথি হিচাপে আমন্ত্ৰণ জনোৱাৰ বাবে ৰাষ্ট্ৰপতি মেক্ৰনক ধন্যবাদ জনায়।

3. নেতাবৰ্গই বাণিজ্য আৰু অৰ্থনৈতিক ক্ষেত্ৰ; অসামৰিক বিমান পৰিবহণ; নবীকৰণযোগ্য শক্তি; সংস্কৃতি; প্ৰতিৰক্ষা খণ্ডত সহ-উৎপাদন আৰু উৎপাদন; লগতে নাগৰিক পাৰমাণৱিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতি সন্তুষ্টিৰে পৰ্যালোচনা কৰে। তেওঁলোকে এই অংশীদাৰিত্ব নতুন ক্ষেত্ৰলৈ সম্প্ৰসাৰণ কৰিবলৈ সন্মত হয়।

4. প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ জি-20 অধ্যক্ষতাৰ প্ৰতি ফ্ৰান্সৰ সমৰ্থনৰ বাবে ৰাষ্ট্ৰপতি মেক্ৰনক ধন্যবাদ জনায়। নেতাকেইজনে আঞ্চলিক উন্নয়ন আৰু বিশ্বজনীন প্ৰত্যাহ্বান সন্দৰ্ভত মত বিনিময় কৰে।

**হিৰোচিমা**
**মে 20, 2023**